# 2025

## ASSAMESE

( Minor )

ANANDARAM DHEKIAL PHOOKAN COLLEGE LIBRARY
Acc. No.
Date
Nagaon · Assam

Paper : ASS4100104MN

( অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস )

( Set–B )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) কালিৰাম মেধিয়ে অসমীয়া ভাষাৰ উদ্ভৱ ক'ৰ পৰা হোৱা বুলি কৈছে?

(খ) ড০ বাণীকান্ত কাকতিয়ে অসমীয়া ভাষা সম্পৰ্কে ৰচনা কৰা গৱেষণা গ্ৰন্থখনৰ নাম কি?

(গ) 'উষ্ণা উষ্ণা পৰৱত তই সবৰী বালী'—ইয়াত 'সবৰী বালী'-ৰ অৰ্থ কি?

(ঘ) অসমীয়া বৈষ্ণৱ সাহিত্যৰ এটা বৈশিষ্ট্য লিখা।

(ঙ) মাধৱদেৱৰ কোনখন নাটক অংকীয়া নাট বুলি ক'ব পাৰি ?

(চ) অসমীয়া সাহিত্যত 'মহাভাৰত'ৰ কবি বুলি কাক কোৱা হয় ?

(ছ) 'সাতসৰী অসম বুৰঞ্জী'ত কেইখন বুৰঞ্জী সংকলিত হৈছে ?

(জ) ভট্টদেৱৰ প্ৰকৃত নাম কি ?

২। চমুকৈ উত্তৰ দিয়া (যি কোনো ছটা) : ২×৬=১২

(ক) বঙলা-অসমীয়া ভাষাৰ উমৈহতীয়া সাহিত্য হিচাপে স্বীকৃত দুখন গ্ৰন্থৰ নাম লিখা।

(খ) ইয়াণ্ডাবু সন্ধি কাৰ কাৰ মাজত হৈছিল ?

(গ) দুগৰাকী পাঁচালী কবিৰ নাম লিখা।

(ঘ) বৰগীতৰ দুটা বৈশিষ্ট্য লিখা।

(ঙ) বাণীবন্ধনৰ জৰিয়তে লোকগীতক জনপ্ৰিয় কৰি তোলা দুগৰাকী সংগীত শিল্পীৰ নাম লিখা।

(চ) যুদ্ধকাব্যৰ কবি বুলি ক'লে কাক বুজা যায় ? তেওঁ ৰচনা কৰা এখন যুদ্ধকাব্যৰ নাম উল্লেখ কৰা।

ANANDARAM DHEKIAL PHOOKAN COLLEGE LIBRARY
Acc. No.
Date





(ছ) আহোম যুগৰ শ্ৰেষ্ঠ কবি কোন ? কালিদাসৰ নাটকক আধাৰ হিচাপে লৈ তেওঁ কোনখন কাব্য ৰচনা কৰিছিল ?

(জ) ভট্টদেৱৰ গদ্যৰীতিৰ দুটা বৈশিষ্ট্য লিখা।

(ঝ) 'গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ' পাঠটো কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে ? গ্ৰন্থখনৰ সম্পাদক কোন ?

(ঞ) কাৰ অনুৰোধ মৰ্মে, কোনে 'হস্তীবিদ্যাৰ্ণৱ' পুথি ৰচনা কৰিছিল ?

৩। উত্তৰ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) চৰ্যাপদৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) বৈষ্ণৱ যুগৰ শ্ৰেষ্ঠ কবিগৰাকীৰ কাব্যকৃতি সম্পৰ্কে আলোচনা কৰা।

(গ) 'লংকাৰ বিৱৰণ' পাঠটিত মাধৱ কন্দলিয়ে লংকাৰ বিৱৰণ কিদৰে দিছে, পাঠটোৰ আধাৰত লিখা।

(ঘ) 'একবাৰ হৰিবল মন ৰচনা'—গীতটিত জীৱন আৰু সংসাৰৰ অনিত্যতাৰ কথা কেনেদৰে প্ৰকাশ পাইছে, লিখা।

(ঙ) 'চোৰধৰা' ঝুমুৰাত শ্ৰীকৃষ্ণৰ চতুৰালি কেনেদৰে পৰিস্ফুট হৈছে, আলোচনা কৰা।

(চ) বেউলাই কি পৰিস্থিতিত, কেনেদৰে নৃত্য কৰিবলগীয়া হৈছিল, পাঠটোৰ আধাৰত চমুকৈ লিখা।

(ছ) শংকৰদেৱ-মাধৱদেৱৰ ক'ত, কেনেদৰে মিলন হৈছিল? এই মিলনক কিয় মণিকাঞ্চন সংযোগ বুলি কোৱা হয়, লিখা।

(জ) অসমীয়া সচিত্ৰ পুথিৰ ইতিহাসত 'হস্তীবিদ্যাৰ্ণৱ' পুথিৰ গুৰুত্ব সম্পৰ্কে লিখা।

৪। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো দুটা) : ১০×২=২০

(ক) অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কে এটি নিবন্ধ লিখা।

(খ) প্ৰাক্-শংকৰী যুগৰ কাব্যধাৰাৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(গ) 'ভীম-চৰিত' পুথিত ভীমৰ চৰিত্ৰ কিদৰে অংকন কৰা হৈছে, আলোচনা কৰা।

(ঘ) 'প্ৰহ্লাদ-চৰিত্ৰ' কাব্যত প্ৰহ্লাদক বিষ্ণুই কিদৰে ৰক্ষা কৰিছিল, বৰ্ণনা কৰা।

(ঙ) 'অৰ্জুনৰ বিষাদ-যোগ' পাঠটিত অৰ্জুনৰ মনলৈ বিষাদ অহাৰ কাৰণ কি? অৰ্জুনৰ এই বিষাদ কোনে, কেনেদৰে দূৰ কৰিছিল?

ANANDARAM DHEKIAL PHOOKAN
Acc. No
Date

* * *